# অসম লোকসেৱা আয়োগ
## ASSAM PUBLIC SERVICE COMMISSION
Jawaharnagar, Khanapara, Guwahati-781 022

## বাতৰিৰ স্পষ্টীকৰণ

যোৱা ১৫ মাৰ্চ, ২০২০ তাৰিখে অসমীয়া প্ৰতিদিন কাকতত প্ৰকাশিত “এ পি এছ চিত চৰম অৰাজকতাঃ উদ্বিগ্ন পৰীক্ষাৰ্থী, গড়কাপ্তানিৰ সহকাৰী, কনিষ্ঠ অভিযন্তা পদৰ বিজ্ঞাপনত বিসংগতি” শীৰ্ষক বাতৰিটো অসম লোকসেৱা আয়োগৰ দৃষ্টিগোচৰ হৈছে। এইক্ষেত্ৰত আয়োগৰ ফালৰপৰা নিম্নলিখিত স্পষ্টীকৰণ দিয়া হ’ল-

১। গড়কাপ্তানি বিভাগৰ সহকাৰী অভিযন্তাৰ ১৫৬ টা আৰু কনিষ্ঠ অভিযন্তাৰ ৩০৭ টা পদৰ বাবে যি স্ক্ৰীনিং টেষ্ট/সাক্ষাৎকাৰ আয়োগে অনুষ্ঠিত কৰিবলৈ যোঁ-জা কৰিছে তাত আয়োগৰ ২০১৯-ৰ 4(D) বিধি প্ৰয়োগ কৰা নহয়; গতিকে পৰীক্ষাৰ্থীয়ে এই বিধি অনুসৰি পৰীক্ষা অনুষ্ঠিত কৰিব বুলি ভাবি হতাশ হোৱাৰ প্ৰয়োজন নাই। আয়োগৰ ২০১৯ খ্ৰীষ্টাব্দৰ নতুন বিধি অনুসৰি পোনপটীয়া বাছনিৰ (Direct Recruitment) বাবে কেইবাটাও পদ্ধতি আছে। তাৰ ভিতৰত সহকাৰী অভিযন্তাৰ বাবে আয়োগে নিৰ্ধাৰণ কৰা পদ্ধতিটো সোনকালে পৰীক্ষাৰ্থীসকলক অৱগত কৰা হ’ব।

২। গড়কাপ্তানি বিভাগৰ কনিষ্ঠ অভিযন্তাৰ বাবে যদিও ২২-০৩-২০২০ সম্ভাব্য তাৰিখ স্ক্ৰীনিং টেষ্টৰ বাবে ধাৰ্য কৰা হৈছিল, উক্ত পদৰ সেৱাবিধিত ধৰাপৰা কিছু বিসংগতিৰ বাবে উক্ত বাছনি পৰীক্ষা সম্পৰ্কে আয়োগে এতিয়ালৈকে কোনো সিদ্ধান্ত গ্ৰহণ কৰা নাই। এইক্ষেত্ৰত চৰকাৰৰ সংশ্লিষ্ট বিভাগৰ সৈতে যোগাযোগ কৰা হৈছে আৰু সময়মতে আসোঁৱাহ দূৰ নহ’লে বাছনি পৰীক্ষাৰ দিন পিছুৱাই দিয়া হ’ব পাৰে।

৩। জ্যেষ্ঠ আৰু কনিষ্ঠ তথ্য আৰু জনসংযোগ বিষয়াৰ বাছনি পৰীক্ষা ৩ টা পৰ্যায়ত সম্পন্ন হ’ব বুলি আয়োগে ইতিমধ্যে APSC website যোগে জাননী জাৰি কৰিছে। ইয়াৰে প্ৰথম পৰ্যায়ত স্ক্ৰীনিং টেষ্টৰ যোগেদি পৰীক্ষাৰ্থীৰ সংখ্যা (১ : ১৪ অনুসৰি) কিছু কমাই লোৱাৰ পিছত দ্বিতীয় পৰ্যায়ত ২০০ নম্বৰৰ লিখিত পৰীক্ষা অনুষ্ঠিত কৰা হৈছিল। তৃতীয় পৰ্যায়ত সাক্ষাৎকাৰৰ যোগেদি চূড়ান্ত তালিকা প্ৰস্তুত কৰাৰ ব্যৱস্থা কৰা হৈছে। যেহেতু লিখিত পৰীক্ষা ২০০ নম্বৰৰ হৈছিল গতিকে সাক্ষাৎকাৰত ইয়াৰ ১২.২% হিচাপে ২৪-২৫ নম্বৰহে ৰখা হ’ব আৰু এই সংখ্যা অতি কম হোৱা বাবে আয়োগে সাক্ষাৎকাৰৰ বাবে কেৱল ১:২ অনুপাতত যোগ্যপ্ৰাৰ্থীক সাক্ষাৎকাৰলৈ আমন্ত্ৰণ জনাইছে।

৪। বিত্ত আৰু গাণনিক সেৱা বিষয়াৰ পৰীক্ষাৰ ফলাফল আয়োগে অতি সোনকালে প্ৰকাশ কৰিব। এইক্ষেত্ৰতো বিত্ত আৰু গাণনিক বিষয়াৰ সেৱাবিধিৰ ক্ষেত্ৰত কিছু আসোঁৱাহ চৰকাৰে দূৰ কৰিব লগা হোৱা বাবে ফলাফল ঘোষণা কৰাত বিলম্ব হৈছে।

৫। ২০১৮ খ্ৰীষ্টাব্দৰ সংযুক্ত প্ৰতিযোগিতামূলক (মূল) পৰীক্ষাৰ ফলাফলৰ বিষয়টো বৰ্ত্তমান মাননীয় গুৱাহাটী উচ্চ ন্যায়ালয়ৰ বিচাৰাধীন হৈ আছে; সেয়ে এই বিষয়ে আয়োগে কোনো মন্তব্য দিয়াৰ পৰা বিৰত থাকিল।

আয়োগৰ ফালৰপৰা এইক্ষেত্ৰত সংবাদ মাধ্যম আৰু সংবাদসেৱীসহ সকলোলৈ বিনম্ৰ অনুৰোধ কৰা হ’ল যাতে এনে ভিত্তিহীন আৰু একপক্ষীয় বাতৰি পৰিৱেশন কৰা অথবা বিবৃতি দিয়াৰপৰা বিৰত থাকে। এই বাতৰি, বিবৃতি আদিয়ে পৰীক্ষাৰ্থীসকলক বিভ্ৰান্ত কৰাৰ লগতে অনাহকত আয়োগৰ নামত কালিমা সানে।

সচিব

অসম লোকসেৱা আয়োগ

জৱাহৰনগৰ, খানাপাৰা, গুৱাহাটী-২২